**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-10-2024
**Time :** 1340 Hrs

## *Assamese Midday Bulletin*

---

১।	অসমৰ ৫টা সমষ্টিত হবলগীয়া উপ-নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে।

২।	উচ্চতম ন্যায়ালয়ে আজি ৰায়দানযোগে জনায় যে বাল্য বিবাহ নিষেধাজ্ঞা আইন ব্যক্তিগত আইনৰ দ্বাৰা স্তব্ধ কৰিব নোৱাৰি।

৩।	প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে অগতানুগতিক যুদ্ধই প্ৰতিৰক্ষা খণ্ডত নতুন প্ৰত্যাহ্বানৰ সূচনা কৰিছে।

৪।	ভাৰত আৰু নিউজিলেণ্ডৰ মাজত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ তৃতীয় দিনা নিউজিলেণ্ডৰ প্ৰথম ইনিংছ ৪০২ ৰাণত সমাপ্ত।

**আৰু**

৫।	ডেনমাৰ্ক অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত আজি বিয়লি মহিলাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেল খেলত পি ভি সিন্ধুৱে ইণ্ডোনেছিয়াৰ মাৰিস্কা টুনজুঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

অসমৰ ৫টা সমষ্টিত হবলগীয়া উপ-নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। ইয়াৰ লগে লগে সমষ্টিকেইটাত বিজেপি, কংগ্ৰেছ, অগপ, এ আই ইউ ডি এফ, তৃণমূল কংগ্ৰেছ, বিপিএফ, ইউ পি পি এলকে ধৰি বিভিন্ন ৰাজনৈতিক দলসমূহৰ মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। আজি কংগ্ৰেছ নেতৃত্বাধীন সংযুক্ত বিৰোধী মৰ্চাৰ এখন বৈঠক অনুষ্ঠিত হৈছে। বৈঠকত কংগ্ৰেছৰ তত্বাৱধায়ক ড০ জিতেন্দ্ৰ সিং উপস্থিত থাকে। বৈঠকত কংগ্ৰেছৰ নেতাসকলৰ লগতে বিৰোধী মৰ্চাৰ নেতাসকলো উপস্থিত থাকে। এই বৈঠকতে আসন্ন উপ-নিৰ্বাচনৰ বাবে প্ৰাৰ্থিত্বৰ ভাগ-বটোৱাৰা সন্দৰ্ভত আলোচনা কৰা হৈছে।

ইপিনে, ভাৰতীয় জনতা পাৰ্টী, অসম গণ পৰিষদ আৰু ইউ পি পি এল দলেও নিৰ্বাচনী প্ৰস্তুতি অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিত খালী হোৱা বিধানসভাৰ আসন ৫ খনৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ৫টা সমষ্টিত ৯ লাখ ১০ হাজাৰ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচন হ'বলগীয়া সমষ্টিকেইটাত মুঠ এহেজাৰ ৭৮টা ভোটকেন্দ্ৰ স্থপন কৰা হ'ব। এই পাঁচোটা সমষ্টিত সমষ্টি পুনৰ নিৰ্ধাৰণৰ পূৰ্বে থকা অঞ্চলসমূহ সামৰি এই নিৰ্বাচন অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে এইদৰে কয় -

**বাইট - অনুৰাগ গোৱেল**

আনহাতে, ঝাৰখণ্ড বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হ'ব। অহা ১৩ নৱেম্বৰত হ'বলগীয়া এই পৰ্যায়ত ৰাজ্যখনৰ ৪৩টা সমষ্টি সামৰি লোৱা হ'ব। প্ৰথম পৰ্যায়ৰ বাবে

২৫ অক্টোবৰ মনোনয়পত্ৰ দাখিলৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। ২৮ অক্টোবৰত মনোনয়পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ইচ্ছুক প্ৰাৰ্থীসকলে ৩০ অক্টোবৰলৈ মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। ৰাজ্যখনত এইবেলি দুটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ২০ নৱেম্বৰত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব। ২৩ নৱেম্বৰত ভোট গণনা কৰা হ'ব। আমাৰ সংবাদদাতাই জনাইছে যে এন ডি এ আৰু আই এন ডি আই মিত্ৰজোঁটে আসনৰ ভাগ-বাটোৱাৰা সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণৰ উদ্দেশ্যে মিত্ৰ দলসমূহৰ সৈতে আলাপ-আলোচনা অব্যাহত ৰাখিছে।

০০০০০০

উচ্চতম ন্যায়ালয়ে আজি ৰায়দানযোগে জনায় যে বাল্য বিবাহ নিষেধাজ্ঞা আইন ব্যক্তিগত আইনৰ দ্বাৰা স্তব্ধ কৰিব নোৱাৰে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু মনোজ মিশ্ৰই দেশত বাল্য বিবাহ প্ৰতিৰোধ আইনখন ফলপ্ৰসূ ৰূপায়ণৰ বাবে নিৰ্দেশনা জাৰি কৰে। ৰায় ঘোষণাৰ সময়ত মুখ্য ন্যায়াধীশ চন্দ্ৰচূড়ে এই কথাত গুৰুত্ব আৰোপ কৰে যে বাল্য বিবাহ প্ৰতিৰোধ আৰু নাবালক সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া উচিত আৰু লগতে অপৰাধীক উচিত শাস্তি প্ৰদান কৰাও জৰুৰী। উল্লেখযোগ্য যে বাল্য বিবাহ ৰোধ কৰাৰ বাবে আৰু সমাজৰ পৰা ইয়াক নিৰ্মূল কৰাটো নিশ্চিত কৰিবলৈ বাল্য বিবাহ নিষেধাজ্ঞা আইন ২০০৬ চনত প্ৰণয়ন কৰা হৈছিল।

০০০০০০

**প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি কৈছে যে অগতানুগতিক যুদ্ধই প্ৰতিৰক্ষা খণ্ডত নতুন প্ৰত্যাহ্বানৰ সূচনা কৰিছে। প্ৰযুক্তিয়ে এই নতুন ৰূপৰ অগতানুগতিক যুদ্ধৰ সূচনা কৰিছে আৰু ড্ৰ'ন, চাইবাৰ যুদ্ধ, জৈৱ-অস্ত্ৰ আৰু মহাকাশ প্ৰতিৰক্ষা মূল প্ৰত্যাহ্বান হিচাপে পৰিলক্ষিত হৈছে বুলি আজি নতুন দিল্লীৰ এটা অনুষ্ঠানত ভাষণ দি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই মন্তব্য কৰে।**

**উদ্ভাৱনৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতা সন্দৰ্ভত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে প্ৰতিৰক্ষা খণ্ডত গৱেষণা আৰু উন্নয়নৰ গুৰুত্ব বৃদ্ধিৰ সন্দৰ্ভতো গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে বিশ্বই পৰিৱৰ্তনৰ প্ৰত্যেক্ষদৰ্শী হোৱাৰ লগে লগে প্ৰযুক্তিৰ তাৎপৰ্য্য, গৱেষণা আৰু উন্নয়ন বৃদ্ধি হৈছে। দেশৰ প্ৰতিৰক্ষা খণ্ডক অধিক উদ্ভাৱনীমূলক আৰু প্ৰযুক্তিমুখী কৰি তোলাৰ বাবে চৰকাৰ দায়বদ্ধ বুলি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে প্ৰযুক্তিৰ বাবে বৰ্তমান অস্ত্ৰ-শস্ত্ৰ আৰু সঁজুলিৰ বৃহৎ পৰিৱৰ্তন দেখা গৈছে। যেতিয়া যুৱক-যুৱতীসকলে নতুন কিবা এটা সপোন দেখাৰ সাহস কৰে তেতিয়া সেই সপোনবোৰ পূৰণৰ বাবে নতুন পথ গঢ়ি তুলিব পাৰি বুলিও প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰে।**

০০০০০০

অনলাইন কেলেংকাৰীৰ বৰ্ধিত ভাবুকি প্ৰতিহত কৰাৰ বাবে চৰকাৰ আৰু মেটা নামৰ কোম্পানীটোৱে যুটীয়াভাৱে প্ৰবঞ্চনাৰ পৰা নিজকে ৰক্ষা কৰক অভিযান আৰম্ভ কৰিছে। তথ্য আৰু সম্প্ৰচাৰ সচিব সঞ্জয় জাজুৱে কালি নতুন দিল্লীত উদ্বোধনী অনুষ্ঠানত মূল ভাষণ প্ৰদান কৰি এই অভিযানক অনলাইন প্ৰবঞ্চনাৰ বৰ্ধিত ভাবুকিৰ পৰা নাগৰিকসকলক ৰক্ষা কৰাৰ সময়োচিত আৰু আৱশ্যকীয় পদক্ষেপ বুলি অভিহিত কৰে। এই অভিযানৰ পৰা চৰকাৰে যে ডিজিটেল সুৰক্ষা আৰু সতৰ্কতাৰ প্ৰসাৰ বিচাৰে সেয়া স্পষ্ট হৈ পৰিছে বুলিও তেওঁ মন্তব্য কৰে। শ্ৰী জাজুৱে কয় ভাৰতত ৯০ কোটিৰো অধিক ইণ্টাৰনেট ব্যৱহাৰকাৰী আছে আৰু ডিজিটেল ইণ্ডিয়া উদ্যমৰ অধীনত খণ্ডটোৰ অভূতপূৰ্ব বিকাশ ঘটিছে। এই প্ৰগতিৰ ফলত চাইবাৰ প্ৰবঞ্চনা ঘটনাও বৃদ্ধি পাইছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰী জাজুৱে কয় যে, বিগত বছৰত চাইবাৰ প্ৰবঞ্চনাৰ ১১ লাখটা গোচৰ ৰুজু কৰা হৈছে। মেটা নামৰ কোম্পানীটোৱে ইলেক্ট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়, গৃহ মন্ত্ৰালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয় আৰু ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰৰ সহযোগত এই অভিযান আৰম্ভ কৰিছে।

০০০০০০

ৰাষ্ট্ৰীয় ৰাজধানী নতুন দিল্লীত আজি পুৱা বায়ুৰ গুণগত সূচ্যাংক চমুকৈ এ কিউ আই ২৯২ত উপনীত হোৱাৰ লগে লগে চহৰখনত বায়ুৰ গুণাগুণ অৱনমিত হৈছে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডৰ তথ্য অনুসৰি এই অৱনমিত সূচ্যাংকৰ ফলত বেছিভাগ লোকৰে উশাহ-নিশাহৰ সমস্যাই দেখা দিয়াৰ সম্ভাৱনা আছে। বায়ুৰ মান নিম্নগামী হোৱাৰ পৰিপ্ৰেক্ষিতত আজি দিল্লী সচিবালয়ত সংশ্লিষ্ট সকলো বিষয়াৰ জৰুৰী বৈঠক আহ্বান কৰা হৈছে। দিল্লীৰ পৰিবেশ বিভাগৰ তথ্য অনুসৰি ১৩টা প্ৰদূষণ কেন্দ্ৰ নিৰীক্ষণ কৰি এক বিশেষ অভিযান আৰম্ভ কৰাৰ পৰিকল্পনা লোৱা হৈছে। ইয়াৰ লগতে ৰাষ্ট্ৰীয় ৰাজধানীৰ কেইবাটাও অঞ্চলৰ পথসমূহত পানী ছটিয়াই ধূলি কমাবলৈ চেষ্টা কৰা হৈছে।

০০০০০০

পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কালি সন্ধিয়া কালীঘাটস্থিত তেওঁৰ বাসগৃহত মুখ্য সচিব মনোজ পন্ত আৰু স্বাস্থ্য সচিব নাৰায়ণ স্বৰূপ নিগমক সাক্ষাৎ কৰি চিকিৎসালয়সমূহত নিৰাপত্তা সম্পৰ্কীয় কামৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে।

০০০০০০

নিৰ্বাচন আয়োগে প্ৰথমবাৰৰ বাবে প্ৰাৰ্থীৰ বাবে অনলাইন মনোনয়ন দাখিলৰ সুবিধা প্ৰদান কৰিছে। ঝাৰখণ্ডৰ মুখ্য নিৰ্বাচনী বিষয়া কে ৰবি কুমাৰে কয় যে মনোনয়ন প্ৰপত্ৰ subidha.gov.in পোৰ্টেলত উপলব্ধ। একাউণ্ট প্ৰস্তুত কৰি প্ৰাৰ্থীসকলে মনোনয়ন প্ৰপত্ৰ পূৰণ কৰিব পাৰিব। ইয়াৰ লগতে প্ৰাৰ্থীসকলে শপতনামা অনলাইনতো পূৰণ কৰিব পাৰিব। প্ৰপত্ৰ পূৰণৰ পাছত প্ৰিণ্ট আউট কৰি ইয়াক ৰিটাৰ্ণিং বিষয়া ওচৰত মনোনয়নৰ সৈতে দাখিল কৰিব পাৰিব।

০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত বাংগালুৰুৰ এম ছিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ তৃতীয় দিনা নিউজিলেণ্ডৰ প্ৰথম ইনিংছ ৪০২ ৰাণত সমাপ্ত হয়। নিউজিলেণ্ডৰ ৰাছিন ৰবীন্দ্ৰই ১৩৪ আৰু টিম ছাউথিয়ে ৬৫ ৰাণ কৰে। নিউজিলেণ্ড বৰ্তমান ভাৰতৰ প্ৰথম ইনিংছতকৈ ৩৫২ ৰানত আগবাঢ়ি আছে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰি মাত্ৰ ৪৬ ৰানতে প্ৰথম ইনিংছ সামৰে।

০০০০০০

ডেনমাৰ্ক অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত আজি বিয়লি মহিলাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেল খেলত দুবাৰৰ অলিম্পিক বিজয়ী পি ভি সিন্ধুৱে ইণ্ডোনেছিয়াৰ বিশ্বৰ ৮ নম্বৰ খেলুৱৈ গ্ৰেগোৰিয়া মাৰিস্কা টুনজুঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মেচখন বিয়লি ৪ বাজি ১০ মিনিটত আৰম্ভ হ'ব। কালি অনুষ্ঠিত ৰাউণ্ড অব ছিক্সটিনৰ এখন খেলত চীনৰ হান য়ুক পি ভি সিন্ধুৱে ১৮-২১, ২১-১২, ২১-১৬ ব্যৱধানত পৰাস্ত কৰে। উল্লেখযোগ্য যে ইয়াৰ আগতে শেষ বাৰৰ বাবে সিন্ধু আৰু টুনজুং ২০২৩ চনৰ ফ্ৰেন্স অ'পেন প্ৰতিযোগিতাত মুখামুখি হৈছিল আৰু পি ভি সিন্ধুৱে খেলখনত জয়লাভ কৰিছিল।

oooooo

নিউজিলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া এদিনীয়া শৃংখলাৰ বাবে হৰমনপ্ৰীত কৌৰক ভাৰত মহিলা ক্ৰিকেট দলৰ অধিনায়কৰ দায়িত্ব অৰ্পন কৰা হৈছে। আনহাতে চলিত মাহৰ ২৪ তাৰিখৰ পৰা আৰম্ভ হ'বলগীয়া শৃংখলাৰ বাবে চাৰিগৰাকী বিশেষ খেলুৱৈক বাছনি কৰা হৈছে। টি-২০ বিশ্বকাপৰ পৰা ভাৰতীয় দলটো আগতীয়াকৈ বাহিৰ হোৱাৰ পাছতে মহিলা ক্ৰিকেট দলৰ প্ৰদৰ্শনৰ ওপৰত দৃষ্টি নিক্ষেপ কৰা হৈছিল। নিৰ্বাচকসকলে হৰমনপ্ৰীত কৌৰৰ নেতৃত্বত ভাৰতীয় দলটোৱে সফলতা অৰ্জন কৰিব বুলি আশা কৰিছে।

oooooo

সমাপ্ত